(গ) যান-জঁট

(ঘ) স্বদেশপ্রেম

গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখিব)

প্রশ্ন নং ১ ঃ নিম্নোক্ত বিষয়ৰ পৰা যিকোনো এটা বিষয় বাছি লৈ এটি প্রবন্ধ লিখক ঃ

(ক) ব্রহ্মপুত্র

(খ) বসন্ত ঋতু

(গ) বিজ্ঞান আৰু প্রগতি

প্রশ্ন নং ২ ঃ অনুচ্ছেদ নির্মাণ কৰাত সম্পর্কে বহলভাৱে বর্ণনা কৰক।

****

অধ্যায় ৯ ঃ বিশেষ প্ৰৱন্ধ লিখাৰ কৌশল

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ বিশেষ প্ৰৱন্ধ (Feature)ৰ অৰ্থ
৯.৪ বিশেষ প্ৰৱন্ধৰ বিভিন্ন প্ৰকাৰ
৯.৪.১ সাক্ষাৎকাৰভিত্তিক প্ৰৱন্ধ
৯.৪.২ তথ্যভিত্তিক প্ৰৱন্ধ
৯.৪.৩ বিশেষ ব্যক্তিক কেন্দ্ৰ কৰি লিখা প্ৰৱন্ধ
৯.৪.৪ ফিচাৰেটচ্
৯.৪.৫ সংবাদভিত্তিক প্ৰৱন্ধ আৰু মানৱীয় আগ্ৰহ বৃদ্ধিকাৰী প্ৰৱন্ধ
৯.৫ বিশেষ প্ৰৱন্ধ নিৰ্মাণ কৌশল
৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো
৯.৭ অধিক জানিবলৈ
৯.৮ অগ্ৰগতিৰ খতিয়ান
৯.৯ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- একোটা বিশেষ প্ৰৱন্ধ লিখাৰ অৰ্থ বুজিব পাৰিব
- বিভিন্ন ধৰণৰ বিশেষ প্ৰৱন্ধৰ বিষয়ে জানিব পাৰিব
- বিশেষ প্ৰৱন্ধ লিখাৰ গঠন সম্পৰ্কে স্পষ্ট ধাৰণা লাভ কৰিব পাৰিব।

৯.২ পৰিচয়

এইটো স্নাতকোত্তৰ পাঠ্যক্ৰমৰ AEC পাঠ্যবিষয়ৰ নৱম অধ্যায়। এই অধ্যায়ত বিশেষ প্ৰবন্ধ লিখাৰ কৌশল আলোচিত হৈছে।

এখন বাতৰিকাকতৰ বিভিন্ন দায়িত্ব আছে। তাৰ ভিতৰত পাঠকৰ প্ৰয়োজনীয় বিষয়ৰ ওপৰত নতুন তথ্যসমূহ সততা আৰু নিৰপেক্ষতাৰে দ্ৰুত গতিত অবিকৃতভাৱে প্ৰচাৰ-প্ৰসাৰ কৰাটো অন্যতম। কাকত এখনে বিশেষ প্ৰৱন্ধ, বিজ্ঞাপন, সম্পাদকীয়ৰ লগতে নানা ধৰণৰ লেখা প্ৰকাশ কৰিব পাৰে। এই অধ্যায়টোত বাতৰিকাকতত প্ৰকাশিত বিশেষ প্ৰৱন্ধৰ মূল বৈশিষ্ট্যৰ সৈতে পৰিচয় কৰাই দিবলৈ চেষ্টা কৰা হৈছে। বিশেষ প্ৰৱন্ধ লেখা একোটা

বাতৰিকাকতত প্ৰকাশিত অতিকৈ গুৰুত্বপূৰ্ণ লেখা।

এই অধ্যায়টোৰ আৰম্ভণিতে বিশেষ প্ৰৱন্ধৰ সংজ্ঞা দিবলৈ গৈ কোৱা হৈছে যে বাতৰিকাকত-আলোচনীৰ বিষয়ে লেখা অথবা ৰেডিঅ'-টেলিভিশ্বনৰ বিশেষ অনুষ্ঠানকে বিশেষ প্ৰৱন্ধ বোলা হয়। ই হাৰ্ড নিউজতকৈ পৃথক। এই অধ্যায়ত এখন বাতৰিকাকতত প্ৰকাশিত ছয়টা বাতৰিৰ শিৰোনামৰ উদাহৰণ দাঙি ধৰা হৈছে। ইয়াৰ দ্বাৰা স্পষ্ট কৰা হৈছে যে সমসাময়িক ঘটনা বা তথ্যসমূহক বাতৰি হিচাপে ধৰা হয় আৰু বাতৰিবোৰ শীঘ্ৰে ছপা অথবা বৈদ্যুতিন মাধ্যমত প্ৰচাৰ বা প্ৰকাশ পাব লাগে। বিশেষ প্ৰৱন্ধ লেখা এটাই মূলতঃ ছফট নিউজৰ ওপৰত গুৰুত্ব দিয়ে আৰু ই মানৱীয় আৱেদন সমৃদ্ধ হ'ব লাগে।

হাৰ্ড নিউজ আৰু বিশেষ প্ৰৱন্ধৰ মূল পাৰ্থক্য হ'ল- হাৰ্ড নিউজৰ মূল্য সমসাময়িক বা তাৎক্ষণিক। হাৰ্ড নিউজৰ জৰিয়তে প্ৰতি মুহূৰ্তৰ তথ্য লগে লগে ৰাইজক দিয়া হয়। কিন্তু বিশেষ প্ৰৱন্ধ লেখা এটাৰ গুৰুত্ব দীঘলীয়া সময় বা দীৰ্ঘদিনৰ বাবে প্ৰাসংগিক হৈ থাকে। আমি ইতিমধ্যে গম পাইছো যে এটা ভাল বাতৰিৰ বাবে ইনভাৰ্টেড পিৰামিডৰ নিয়ম সঠিকভাৱে প্ৰয়োগ কৰাটো প্ৰয়োজনীয়। কিন্তু বিশেষ প্ৰৱন্ধ লেখা একোটাৰ শৈলী প্ৰবন্ধ বা ৰচনাৰ দৰে হ'ব লাগে। আমি এই অধ্যায়ত বিভিন্ন প্ৰকাৰৰ বিশেষ প্ৰৱন্ধ ষ্টৰী যেনে সাক্ষাৎকাৰভিত্তিক বিশেষ প্ৰৱন্ধ, ব্যক্তিকেন্দ্ৰিক বিশেষ প্ৰৱন্ধ, তথ্যভিত্তিক ফিচাৰ, ফিচাৰেট, নিউজ, বিশেষ প্ৰৱন্ধৰ আৰু মানৱীয় আবেদনসমৃদ্ধ ফিচাৰৰ বিষয়ে আলোচনা কৰিছোঁ।

শেষত এই অধ্যায়টোতে বিশেষ প্ৰৱন্ধ লেখাৰ গঠনৰ বিষয়ে আলোচনা কৰা হৈছে। বিশেষ প্ৰৱন্ধ গঠনৰ তিনিটা মূল দিশ-এটা মূল বা কেন্দ্ৰীয় বিষয়, বিষয়টোৰ উপযুক্ত ধাৰণা, বিষয়টোৰ লগত জড়িত বিভিন্ন দিশ বা অংশসমূহৰ সংগতিপূৰ্ণ সংযোগ স্থাপনৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা হৈছে।

৯.৩ বিশেষ প্ৰৱন্ধৰ অৰ্থ

বিশেষ প্ৰৱন্ধ বুলিলে বাতৰিকাকত-আলোচনীৰ বিশেষ একোটা লেখাকে বুজোৱা হয়। টিভি-ৰেডিঅ'ৰ বিশেষ অনুষ্ঠান একোটাকে বিশেষ প্ৰৱন্ধ বুলি কোৱা হয়। আমি যেতিয়া এটা বিশেষ লেখাৰ বিষয়ে কওঁ, তেতিয়া আমি লেখাটোৰ বিশেষ বৈশিষ্ট্যবোৰৰ বিষয়ে জনাটো অপৰিহাৰ্য। এই বৈশিষ্ট্যবোৰে বিশেষ লেখাবোৰক আন সাধাৰণ লেখাতকৈ পৃথক কৰে। প্ৰথমতে, এখন বাতৰি কাকতত প্ৰকাশিত তলৰ ছয়টা বাতৰিৰ শিৰোনামলৈ মন কৰক।

(ক) ইৰাণে মুকলি কৰিলে নতুন মিছাইল

(খ) বৃক্ষৰোপন অভিযানত ছয়বছৰীয়া কণমানি

(গ) অব্যাহত আছে মহাবাহুৰ তাণ্ডৱ

(ঘ) ৰাজ্যত আনন্দ-উৎসাহেৰে ভোগালী বিহু উদ্‌যাপন

(ঙ) ইণ্ডোনেছিয়াত ঘৰিয়ালৰ আক্ৰমণত নিহত মহিলা

(চ) আমেৰিকাৰ ফেডাৰেল কৰ্মচাৰীলৈ স্পেনিছ ছেফৰ বিনামূলীয়া খাদ্য

ওপৰত উল্লিখিত প্ৰতিটো শিৰোনামেই পাঠকক আকৰ্ষিত কৰিব পৰা সমসাময়িক তথ্যৰ ভিত্তিত প্ৰস্তুত কৰা হৈছে। পাঠকৰ প্ৰয়োজনীয় তথ্য দিয়াটোৱেই সাধাৰণ বাতৰিৰ মূল উদ্দেশ্য। পাঠক বা দৰ্শকৰ আগ্ৰহৰ প্ৰতি লক্ষ্য ৰাখিয়েই তথ্যসমূহ প্ৰকাশ বা প্ৰচাৰ কৰা হয়। একো একোটা তথ্যই বাতৰি। কিন্তু বাতৰি হ'বলৈ হ'লে তথ্যসমূহ বৰ্তমানৰ বা শেহতীয়া হ'ব লাগিব। কোনো এটা ঘটনা সংঘটিত হোৱাৰ লগে লগে বাতৰি পৰিবেশন কৰাটো উচিত। ইয়াৰ লগতে আলোচনা বা টক শ্ব'ৱো প্ৰয়োজন হ'ব পাৰে। এইক্ষেত্ৰত নতুন তথ্য বা ঘটনাৰ পৰিবেশনেই বাতৰি। পু�ৰণি ঘটনা এটাই কাকোৱেই আকৰ্ষিত কৰিব নোৱাৰে আৰু সেয়া বাতৰি হৈ নাথাকে।

সেয়ে, নিউজ চেনেলসমূহত 'ব্ৰেকিং নিউজ' বা 'বিগ নিউজ' ব্যৱহাৰ কৰা হয়। বৰ্তমান নিউজ পৰ্টেলসমূহৰ বাবে ধাৰণাটো পুৰণি হৈছে। তেওঁলোকে গুৰুত্ব দিয়ে 'আজি', 'এতিয়া'ত। উদাহৰণস্বৰূপে-'নৰ্থ-ইষ্ট-নাউ' নামটোৱেই যথেষ্ট। ব্ৰেকিং নিউজ বা বিগ ব্ৰেকিং নিউজৰ এনেধৰণৰ গুৰুত্বৰ বাবে সাধাৰণ বাতৰিবোৰ হৈ পৰিছে হাৰ্ড নিউজ। গতিকে বৰ্তমানৰ এখন বাতৰিকাকতৰ বাবে হাৰ্ড নিউজ বুলিলে বিগত ২৪ ঘণ্টাত সংঘটিত দুৰ্ঘটনা, হত্যাকাণ্ড, মৃত্যুৰ ঘটনা, ৰাজনৈতিক ভাষণ বা সমসাময়িক ঘটনাসমূহকেই বুজোৱা হয়।

ইয়াৰ বিপৰীতে বিশেষ প্ৰৱন্ধ হ'ল ছফট নিউজ। এনেবোৰ বাতৰিত মানৱীয় আবেদন থাকে। এই বাতৰিসমূহে একোজন ব্যক্তি বা অনুষ্ঠানৰ ছবি দাঙি ধৰে, মানৱীয় দৃষ্টিকোণেৰে উপস্থাপন কৰে অথবা পাঠকক শিক্ষা বা মনোৰঞ্জন দান কৰে। বিশেষ প্ৰৱন্ধ একোটা লগে লগে প্ৰকাশ হোৱাৰ প্ৰয়োজন নাই। সাধাৰণতে পূৰ্বতে প্ৰকাশিত বাতৰি একোটাৰ অৱলোকন বা গভীৰ উপস্থাপনেই বিশেষ প্ৰৱন্ধ। ই স্বতন্ত্ৰভাৱে পৃথক হোৱাৰ লগতে আন বাতৰিটোৰ সৈতে সম্পৃক্তও হ'ব পাৰে। হাৰ্ড নিউজ আৰু বিশেষ প্ৰৱন্ধৰ মূল পাৰ্থক্য এয়াই যে ঘটনা এটা সংঘটিত হোৱাৰ লগে লগেই প্ৰকাশ বা প্ৰচাৰ কৰিব পৰাটোৱেই হাৰ্ড নিউজৰ সাৰ্থকতা। কিন্তু বিশেষ প্ৰৱন্ধ লেখা এটা কিছুদিন পাছত প্ৰকাশ হ'লেও তাৰ গুৰুত্ব কমি নাযায়। বিশেষ প্ৰৱন্ধ এটাত পূৰ্বতে ঘটি যোৱা ঘটনা বা বাতৰিটোৰ আভাস দিয়া হোৱাৰ লগতে বিশদভাৱে বিশ্লেষণ কৰা হয়। বিশেষ প্ৰৱন্ধত একোটা ঘটনাৰ বিভিন্ন দিশ সম্পৰ্কে আলোকপাত কৰা হয়।

গঠনৰ ফালৰ পৰাও বাতৰিৰ পৰা বিশেষ প্ৰৱন্ধ পৃথক। এটা ভাল বাতৰিৰ বাবে ইনভাৰ্টেড পিৰামিডৰ নিয়ম অনুসৰণ কৰাটো প্ৰয়োজন। এই নিয়ম অনুসৰি প্ৰথম পেৰাগ্ৰাফ বা বাক্যক কোৱা হয় লীড। এই অংশটোৱে কি ঘটিছে, কেতিয়া ঘটিছে, ক'ত আৰু কেনেকৈ ঘটিছে এনেবোৰ প্ৰশ্নৰ উত্তৰ দিয়ে। বাতৰিটোৰ পাচৰ অংশত অতিৰিক্ত তথ্যসমূহ দিয়া হয়। কিন্তু বিশেষ প্ৰৱন্ধ লেখা একোটাৰ গঠন প্ৰবন্ধ বা ৰচনাৰ দৰে। ইয়াৰ তিনিটা মূল দিশ হ'ল—

(ক) এটা মূল বা কেন্দ্ৰীয় বিষয়

(খ) বিষয়টোৰ উপযুক্ত ধাৰণা

(গ) বিষয়টোৰ লগত জড়িত বিভিন্ন দিশ বা অংশসমূহৰ সংগতিপূৰ্ণ সংযোগ স্থাপন

বাতৰি এটাই কি ঘটিছে পাঠকক সেয়াহে জনায়। কিন্তু বিশেষ প্ৰৱন্ধত কিয় আৰু কেনেকৈ ঘটনাটো সংঘটিত হৈছে বা তাৰ লগত জড়িত বিভিন্ন দিশৰ অধিক আলোচনা আগবঢ়োৱা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন১ ঃ এটা বাতৰিৰ মূল বৈশিষ্ট্যসমূহ লিখক।

.....

.....

.....

.....

প্ৰশ্ন২ ঃ 'ব্ৰেকিং' আৰু 'বিগ ব্ৰেকিং নিউজ'ৰ গুৰুত্ব সম্পৰ্কে এটা আলোচনা আগবঢ়াওক।

.....

.....

.....

.....

প্ৰশ্ন৩ ঃ বাতৰিতকৈ বিশেষ প্ৰৱন্ধ এটা কোনবোৰ দিশত পৃথক?

.....

.....

.....

৯.৪ বিশেষ প্ৰৱন্ধৰ বিভিন্ন প্ৰকাৰ

বাতৰিকাকত-আলোচনী বা ৰেডিঅ'-টেলিভিশ্বনৰ আটাইতকৈ আকৰ্ষণীয় অংশটোৱেই হৈছে ফিচাৰ। ফিচাৰসমূহক বিভিন্ন ভাগত ভগাব পাৰি। ফিচাৰ লেখাৰ বিভিন্ন বৈশিষ্ট্যৰ ভিত্তিত এই শ্ৰেণী বিভাজন কৰিব পাৰি। উদাহৰণস্বৰূপে, ফিচাৰৰ গঠন অৰ্থাৎ ই বৰ্ণনামূলক নে সাক্ষাৎকাৰভিত্তিক- তাৰ ওপৰত ভিত্তি কৰিও বিভিন্ন ভাগত ভগাব পাৰি।

বিষয়বস্তুৰ ওপৰতো ফিচাৰৰ শ্ৰেণী বিভাজন কৰিব পাৰি। ফিচাৰৰ বিষয়বস্তুৰ কোনো

নির্দিষ্ট সীমাসংখ্যা নাই। যিকোনো বিষয়ৰ ওপৰতেই এটা ফিচাৰ লেখা প্ৰস্তুত কৰিব পাৰি। অৱশ্যে বাতৰি, তথ্যভিত্তিক বা কোনো বিশিষ্ট ব্যক্তিৰ জীৱন-কৰ্মৰ ওপৰত আধাৰিত অথবা মানৱীয় আবেদন সমৃদ্ধ ফিচাৰ লেখাই অধিক প্ৰাধান্য লাভ কৰি আহিছে।
তলত আমি ফিচাৰৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে আলোচনা কৰিম।

৯.৪.১ সাক্ষাৎকাৰভিত্তিক প্ৰৱন্ধ

সাক্ষাৎকাৰ বুলিলে তথ্য সংগ্ৰহৰ বাবে দুজন বা অধিক মানুহৰ মাজত হোৱা বৈঠক বা আলোচনাকে বুজোৱা হয়। তথ্য সংগ্ৰহৰ বাবে সাক্ষাৎকাৰ হৈছে বহুলভাৱে ব্যৱহৃত এক উপায়। উদাহৰণস্বৰূপে, এগৰাকী বিশিষ্ট ব্যক্তিৰ জীৱন আৰু কৃতিত্বৰ বিষয়ে এক বিশেষ প্ৰৱন্ধ লিখিবলৈ হ'লে ব্যক্তিগৰাকী বা বিশেষ প্ৰৱন্ধৰ বিষয়বস্তু সন্দৰ্ভত লেখকৰ পৰ্যাপ্ত জ্ঞান বা সঠিক তথ্য থকাটো উচিত। এনেবোৰ কাৰণত তথ্য সংগ্ৰহৰ বাবে সাক্ষাৎকাৰৰ সহায় লোৱা হয়।

সাক্ষাৎকাৰৰ সৈতে আমি সকলোৱে পৰিচিত। বিভিন্ন আঞ্চলিক বা ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় ৰেডিঅ' বা টেলিভিশ্বন চেনেলসমূহে নানা ধৰণৰ সাক্ষাৎকাৰ প্ৰচাৰ কৰে। এগৰাকী সচেতন দৰ্শকে সাক্ষাৎকাৰবোৰত গ্ৰহণ কৰা বিভিন্ন উপায় বা পদ্ধতিসমূহ তথা ইয়াৰ লগত জড়িত বিভিন্ন দিশসমূহ অনুধাৱন কৰিব পাৰে। অসমৰ উল্লেখযোগ্য ছেটেলাইট চেনেল 'নিউজ লাইভ'ত প্ৰথিতযশা সাংবাদিক-সাহিত্যিক হোমেন বৰগোহাঞিৰ 'কথা-বার্তা' অনুষ্ঠানটো তেনে এক উল্লেখযোগ্য সাক্ষাৎকাৰভিত্তিক অনুষ্ঠান আছিল।

এই সাক্ষাৎকাৰবোৰত এগৰাকী ব্যক্তিৰ ব্যক্তিত্বক পোনপটীয়াভাৱে উপস্থাপন কৰা হয়। সাক্ষাৎকাৰৰ জৰিয়তে আহৰণ কৰা তথ্যৰ জৰিয়তে কেৱল এটা বিশেষ প্ৰৱন্ধ ষ্টৰী লিখাই নহয়, এখন কিতাপো লিখিব পাৰি।

৯.৪.২ তথ্যভিত্তিক প্ৰৱন্ধ

তথ্যৰ গুৰুত্বক বিশেষ প্ৰৱন্ধৰ অন্যতম মূল বৈশিষ্ট্য হিচাপে ধৰা হয়। বিশেষ প্ৰৱন্ধৰ এটাত বর্ণনা কৰা তথ্যই পাঠকক বিষয়বস্তু সন্দৰ্ভত এক স্পষ্ট ধাৰণা প্ৰদানত সহায় কৰে। তথ্যই বিশেষ প্ৰৱন্ধ এটাৰ মূলধন। তথ্যসমূহে বিশেষ প্ৰৱন্ধ এটাৰ পশ্চাদপট বা বেকগ্ৰাউণ্ড দাঙি ধৰে। বিশেষ প্ৰৱন্ধই এটা বাতৰিৰ গভীৰ তথা পুংখানুপুংখ দিশসমূহ তুলি ধৰে। সময় আৰু স্থানৰ সীমাবদ্ধতাৰ ফলত বাতৰি এটাত কেৱল প্ৰাথমিক তথ্যসমূহহে প্ৰদান কৰা হয়।

তথ্যভিত্তিক বিশেষ প্ৰৱন্ধ বুলিলে একোটা গভীৰ লেখাক বুজোৱা হয়। তথ্যভিত্তিক বিশেষ প্ৰৱন্ধৰ বাবে সাক্ষাৎকাৰ আৰু গৱেষণাৰ সহায় লোৱা হয়। এনে ধৰণৰ ফিচাৰ লেখাই সাধাৰণ বাতৰি বা বিশেষ প্ৰৱন্ধ অধিক গভীৰ বিশ্লেষণ আগবঢ়ায়। এটা দীঘল বিশেষ প্ৰৱন্ধ লেখাই এটা বিষয়ক পুংখানুপুংখভাৱে উপস্থাপন কৰিব পাৰে।

বিশ্বজুৰি ভয়াবহ ৰূপ ধাৰণ কৰা পৰিবেশ সমস্যাক আমি উদাহৰণ হিচাপে ল'ব পাৰো। স্নাতক শ্ৰেণীলৈকে বাধ্যতামূলক কৰা পৰিবেশ বিজ্ঞানৰ পাঠ্যক্ৰমৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক এই সমস্যা সম্পৰ্কে সচেতন কৰি তোলা হৈছে। এইক্ষেত্ৰত জনসাধাৰণৰ মাজত সচেতনতা সৃষ্টিৰ উদ্দেশ্যে বিশেষ প্ৰৱন্ধ প্ৰকাশ কৰি সংবাদ মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। চহৰ-মহানগৰত জাৱৰ-জোঁথৰৰ সমস্যা সম্পৰ্কে ছপা বা বৈদ্যুতিন মাধ্যমত সততে বাতৰি প্ৰচাৰ হৈ আহিছে। জাৱৰ-জোঁথৰ ড্ৰেইন বা য'তে ত'তে পেলোৱাৰ ফলত চহৰাঞ্চলত কেনেদৰে কৃত্ৰিম বানৰ সূচনা হৈ আহিছে— এই সম্পৰ্কে বিভিন্ন সময়ত বাতৰি ওলায়। এই বাতৰিবোৰক পৰিবেশৰ সমস্যা সম্পৰ্কীয় বিশেষ প্ৰৱন্ধৰ বাবে উৎস হিচাপে ল'ব পাৰি। তদুপৰি, স্বচ্ছ ভাৰত অভিযানৰ বিভিন্ন কাৰ্যসূচী তথা তথ্যপাতিয়ে এনেধৰণৰ তথ্যভিত্তিক বিশেষ প্ৰৱন্ধ লিখাত সহায় কৰিব পাৰে।

৯.৪.৩ বিশেষ ব্যক্তিক কেন্দ্ৰ কৰি লিখা প্ৰৱন্ধ

ব্যক্তিকেন্দ্ৰিক ফিচাৰ লেখাবোৰ নিঃসন্দেহে কাকত-আলোচনীসমূহৰ অন্যতম জনপ্ৰিয় লেখা। প্ৰতি বছৰে মহাত্মা গান্ধীৰ জন্ম-মৃত্যু বাৰ্ষিকী, শিশু দিৱসত জৱাহৰলাল নেহৰু, শিক্ষক দিৱসত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ, শিল্পী দিৱসত জ্যোতিপ্ৰসাদ আগৰৱালা বা ৰাভা দিৱসত বিষ্ণুপ্ৰসাদ ৰাভাৰ বিষয়ে এনেধৰণৰ বিশেষ লেখা আমি পঢ়িবলৈ পাওঁ। এই বিশেষ দিনবোৰত এইসকল স্বণামধন্য ব্যক্তিৰ জীৱন আৰু আদৰ্শ সম্পৰ্কে বাতৰিকাকতত ফিচাৰ লেখা প্ৰকাশ পায়। তেওঁলোকৰ মৃত্যুৰ পাচতো এইসকল আদৰ্শবান ব্যক্তিৰ জীৱন আৰু কৰ্মৰ বিষয়ে আলোচনা কৰাটো সমাজখনৰ বাবে প্ৰাসংগিক। সেয়ে তেওঁলোকৰ জীৱন আৰু কৰ্ম অথবা সমাজৰ প্ৰতি আগবঢ়োৱা অৱদান সন্দৰ্ভত বিশেষ প্ৰৱন্ধ লিখা হয়।

সাহিত্য-সংস্কৃতি বা ক্ৰীড়াত সফলতা অৰ্জন কৰা জীৱিত লোকসকলৰ বিষয়েও বিশেষ প্ৰৱন্ধ লেখা লিখা হয়। যুদ্ধত সাহসিকতাৰ পৰিচয় দিয়া সেনাবাহিনীৰ লোকৰ বিষয়ে লিখা বিশেষ প্ৰৱন্ধবোৰেও পাঠকক আকৰ্ষণ কৰে। ফিল্ড মাৰ্শ্বাল কাৰিয়াপ্পা আৰু ফিল্ড মাৰ্শ্বলি মানেকশ্ব'ৰ জীৱনকালত তেওঁলোকৰ বিষয়ে অনেক

বিশেষ প্ৰবন্ধ প্ৰকাশ পাইছিল। অক্সফ'ৰ্ডৰ ইংৰাজীৰ সুৰত কাৰিয়াপ্পাই সেনা জোৱানসকলক সমূহীয়াভাৱে সম্বোধন কৰাৰ বিষয়ে প্ৰখ্যাত সাংবাদিক খুছৱন্ত সিঙে ৰসিকতাৰে লিখিছিল।

২০১৮ চনৰ ছেপ্টেম্বৰ সংখ্যাৰ 'Readers Digest' আলোচনীত বিখ্যাত বিজ্ঞান ষ্টিফেন হকিঙৰ বিষয়ে এটা আমোদজনক বিশেষ প্ৰবন্ধ লেখা ওলাইছিল। 'Brilliant and Funny' নামৰ লেখাটোত লেখক মার্ক পেয়চেৰে লিখিছে যে কৃষ্ণ গহ্বৰৰ বিষয়ে গভীৰ সমস্যা সমাধানত ব্যস্ত থকা মানুহজনো আছিল হাস্যৰসৰ ভঁৰাল।

লেখকৰ মতে হাস্যৰসৰ জৰিয়তে হকিঙে পদাৰ্থ বিজ্ঞানক সাধাৰণ জনতাৰ মাজলৈ লৈ যাবলৈ বিচাৰিছিল। ১২৭৭ খ্ৰীষ্টাব্দত কেনেদৰে কেথ'লিক চার্চে মাধ্যাকৰ্ষণ শক্তিৰ দৰে বৈজ্ঞানিক ধাৰণাক ধৰ্মবিৰোধী বুলি কৈছিল আৰু সেই সম্পৰ্কে ২০১০ চনত প্ৰকাশিত হকিঙৰ The Grand Design গ্ৰন্থখনত তেওঁ উল্লেখ কৰিছিল। কেইমাহমান পাছত মাধ্যাকৰ্ষণ শক্তিৰ ফলতে ৰাজপ্ৰাসাদৰ ছাল খহি পৰি একাদশ পোপজনৰ মৃত্যু হোৱাৰ বিষয়ে বিজ্ঞানীগৰাকীয়ে আমোদজনকভাৱে একেখন গ্ৰন্থতে লিখি থৈ গৈছে।

কেৱল যে বিখ্যাত ব্যক্তিৰ বিষয়েহে ফিচাৰ লিখিব পাৰি সেয়া নহয়। আনকি সাধাৰণ হৈও অসাধাৰণ কাম কৰা, কৃতিত্ব লাভ কৰা বা মহানুভৱতা দেখুওৱা লোকসকলৰ বিষয়ে একোটা আকৰ্ষণীয় ফিচাৰ প্ৰস্তুত কৰিব পাৰি। আমাৰ সমাজত এনে বহু সাধাৰণ লোক আছে যিসকলে বিভিন্ন দিশত নিজকে ব্যতিক্ৰম বুলি পৰিচয় দিবলৈ সক্ষম হৈছে। তেনে লোকসকলৰ বিষয়ে প্ৰস্তুত কৰা বিশেষ প্ৰবন্ধই পাঠকক আকৰ্ষিত কৰে।

৯.৪.৪ ফিচাৰেটচ্

ফিচাৰেট হৈছে বিশেষ প্ৰবন্ধৰ ক্ষুদ্ৰ ৰূপ। চুটি ফিচাৰ ফিল্মৰ ক্ষেত্ৰত এই শব্দটো প্ৰথমতে ব্যৱহাৰ কৰা হৈছিল যদিও পৰৱৰ্তী সময়ত বাতৰিকাকতত প্ৰকাশিত চমু লেখাক বুজাবলৈ শব্দটো প্ৰয়োগ কৰি অহা হৈছে। দীঘল বিশেষ প্ৰবন্ধ লেখাৰ দৰে এই চুটি লেখাবোৰেও পাঠকৰ মনোযোগ আকৰ্ষণ কৰে। আসাম ট্ৰিবিউন বাতৰিকাকতে প্ৰায়ে দৈর্ঘ্য সীমাবদ্ধতাৰ বিষয়ে উল্লেখ কৰি লেখকসকলৰ পৰা চুটি লেখা বিচাৰে। এনে লেখাবোৰ দুহেজাৰ শব্দৰ ভিতৰত হ'ব লাগে। সাধাৰণতে ফিচাৰেট্ এটা বিশেষ প্ৰবন্ধৰ আধা দৈর্ঘ্যৰ হ'ব লাগে।

মিডল (Middle) নামৰ শব্দটোৰ সৈতে আমি পৰিচিত। বাতৰিকাকতৰ ভাষাত

সম্পাদকীয় পৃষ্ঠাৰ মাজভাগত প্ৰকাশিত লিখনিকে মিডল বুলি কোৱা হয়। মাজভাগত প্ৰকাশ পোৱাৰ বাবে ইয়াক মিডল নামেৰে জনা যায়। বিশেষ প্ৰৱন্ধ লেখা আৰু সম্পাদকলৈ চিঠিৰ স্তম্ভৰ মাজত এনেবোৰ লেখা সাধাৰণতে দেখা যায়। এসময়ত ছেণ্টিনেল কাকতক প্ৰকাশিত মিডলবোৰ পাঠকৰ মাজত খুবেই জনপ্ৰিয় আছিল। এইবোৰ লেখা প্ৰকৃততে ফিচাৰেট। বিশেষ প্ৰৱন্ধ ষ্টৰীত থাকিবলগীয়া তিনিওটা গুণেই এনেবোৰ লেখনিত পোৱা যায়।

৯.৪.৫ সংবাদ ভিত্তিক প্ৰৱন্ধ (আগ্ৰহ বৃদ্ধিকাৰী) আৰু মানৱীয় প্ৰৱন্ধ

সংবাদভিত্তিক প্ৰৱন্ধ বা নিউজ ফিচাৰ বুলি ক'লে বাতৰিকাকতৰ নিয়মীয়া বাতৰি কলমতে প্ৰকাশিত বিশেষ লেখাক বুজোৱা হয়। পূৰ্বে প্ৰকাশিত বাতৰিৰ আঁত ধৰিয়েই এনেবোৰ লেখা প্ৰস্তুত কৰা হয়। সাধাৰণ বাতৰি এটাত প্ৰাথমিক তথ্যসমূহহে প্ৰদান কৰা হয়। কিন্তু বাতৰি বা নিউজ ফিচাৰত একেটা বিষয়বস্তুৰ গভীৰতালৈ যোৱা হয়। প্ৰাথমিক তথ্যৰ সলনি পুংখানুপুংখ বিশ্লেষণৰ বাবে নিউজ ফিচাৰত সাক্ষাৎকাৰ আৰু গৱেষণাৰ সহায় লোৱা হয়।

উদাহৰণস্বৰূপে,অসম চৰকাৰৰ উদ্যোগত অলপতে গুৱাহাটীত অনুষ্ঠিত হৈ যোৱা বিৰাট বিহু পৰিৱেশনৰ বাতৰিটোকে ল'ব পাৰোঁ। এই বাতৰিক স্থানীয় বাতৰিকাকতসমূহত বেনাৰ হেডলাইন ৰূপে বা চেনেলবোৰত বিগ ব্ৰেকিং নিউজত স্থান দিয়া হ'ব। এই মুকলি বিহুৰ অভিলেখকাৰী পৰিৱেশনে অসমক বিভিন্ন ক্ষেত্ৰত কেনেদৰে লাভান্বিত কৰিব সেই সম্পৰ্কে এটা বাতৰি ফিচাৰ প্ৰস্তুত কৰিব পাৰি।

মানৱীয় প্ৰৱন্ধসমূহ এটা দলৰ সলনি ব্যক্তিবিশেষৰ ওপৰতে আধাৰিত হয়। এনেবোৰ লেখাৰ বিষয়ৰ লগত সদায় আৱেগ জড়িত থাকে। এইবোৰ লেখাত ৰং, হাস্যৰস, বৰ্ণনা, কাহিনী, নাটকীয়তা বা আৱেগ থাকিব পাৰে। অধিকাংশ মানৱীয় আবেদনসমৃদ্ধ লেখাই ব্যতিক্ৰম বা অভিনৱ বিষয়কেন্দ্ৰিক হয়। এনেবোৰ প্ৰৱন্ধত মানুহৰ সমস্যাক মানৱীয় দৃষ্টিকোণেৰে চোৱা হয়। ইয়াত মানৱ অস্তিত্বৰ দাৰ্শনিক বিশ্লেষণ বা অধিক তত্ত্বগধুৰ দিশৰ সন্ধান কৰা হয়।

২০১৫ চনৰ ২৭ জুলাইত যেতিয়া শ্বিলঙত প্ৰাক্তন ৰাষ্ট্ৰপতি ড° এ পি জে আব্দুল কালামৰ মৃত্যু হৈছিল সেই সময়ত বাতৰিকাকতৰ প্ৰথম পৃষ্ঠাত প্ৰয়াত ৰাষ্ট্ৰপতিগৰাকীৰ বিষয়ে বিভিন্ন বাতৰি প্ৰকাশ পাইছিল। এই মানৱীয় আবেদনসমৃদ্ধ প্ৰৱন্ধবোৰে এগৰাকী পৰমাণু বিজ্ঞানী কালামৰ লগতে এগৰাকী সংবেদনশীল মানুহ আৰু শিক্ষক হিচাপে আন এগৰাকী কালামৰ সৈতে আমাক পৰিচয় কৰাই দিছিল। প্ৰৱন্ধবোৰত প্ৰতিফলিত হৈছিল ভাষণ প্ৰদান আৰু কেইবাখনো উল্লেখনীয় গ্ৰন্থ ৰচনাৰে ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰেৰণা দিয়া ড° এ পি জে কালামৰ ব্যক্তিত্বৰ বহুতো

মনোৰম দিশ।

ইতিমধ্যে বিখ্যাত ষ্টিফেন হকিঙৰ বিষয়ে প্ৰকাশিত ফিচাৰ ষ্টৰীটোৰ উদাহৰণ দাঙি ধৰা হৈছে। বিখ্যাত বিজ্ঞানী আৰু চিন্তাবিদগৰাকীৰ অনুৰাগীসকলক উল্লেখিত লেখাটোৰ বিষয়টোৱে নিশ্চয়কৈ আকৰ্ষিত কৰিব। "The Brilliant and Funny" ফিচাৰ ষ্টৰীটোৱে বিজ্ঞানী হকিঙতকৈ ধেমালি কৰি, কৌতুক কৈ ভাল পোৱা আন এজন হকিঙৰ সৈতেহে পাঠকক চিনাকি কৰাই দিয়ে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন৪ ঃ তথ্যভিত্তিক ফিচাৰ বুলিলে আপুনি কি বুজে?

.....

.....

.....

.....

প্ৰশ্ন৫ ঃ ব্যক্তিকেন্দ্ৰিক ফিচাৰৰ বিষয়ে বহলাই লিখক।

.....

.....

.....

প্ৰশ্ন৬ ঃ মিডল (Middle) মানে কি?

.....

.....

৯.৫ বিশেষ প্ৰৱন্ধ নিৰ্মাণ কৌশল

বিশেষ প্ৰৱন্ধ লেখা এটা লিখাৰ সময়তে তিনিটা দিশ মনত ৰাখিব লাগে। এই তিনিটা দিশ হ'ল—

(ক) এটা মূল বা কেন্দ্ৰীয় বিষয়

(খ) বিষয়টোৰ উপযুক্ত ধাৰণা

(গ) বিষয়টোৰ লগত জড়িত বিভিন্ন দিশ বা অংশসমূহৰ সুসংহত সংযোগ স্থাপন

বিশেষ প্ৰৱন্ধৰ বিষয়বস্তুৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ দিশটো হ'ল যে পাঠকৰ আগ্ৰহৰ প্ৰতি লক্ষ্য ৰাখি যিকোনো বিষয়ৰ ওপৰতে বিশেষ প্ৰৱন্ধ লিখিব পাৰি। এম ভি কামাথে উল্লেখ কৰা মতে ৰাজনীতিয়েই হৈছে ভাৰতবৰ্ষৰ পাঠকৰ আকৰ্ষণৰ মূল বিষয়। সেয়ে বাতৰিকাকত-আলোচনীত প্ৰকাশিত অধিকাংশ প্ৰৱন্ধই ৰাজনীতিকেন্দ্ৰিক।

এইক্ষেত্ৰত লেখকে যথেষ্ট স্বাধীনতা উপভোগ কৰিব পাৰে। ইউ জি ৰাও নামৰ এগৰাকী ৰাজনৈতিক প্ৰৱন্ধ লেখকে গান্ধীজীক সদায় গাখীৰ দিয়া ছাগলীটোৰো সাক্ষাৎকাৰ লোৱাৰ কথাও শুনা যায়। এয়া আমোদজনক যদিও ইয়াৰ দ্বাৰা বিশেষ প্ৰৱন্ধৰ বিষয়বস্তুৰ ভিন্নতা সম্পৰ্কে আমি এক ধাৰণা ল'ব পাৰো।

ৰাজনীতিৰ উপৰি ফিচাৰ ষ্টৰীৰ আন উল্লেখনীয় বিষয়সমূহ হ'ল- অৰ্থনীতি, ভ্ৰমণ আৰু পৰ্যটন, পৰিবেশ, শিক্ষা, ভাষা, সাহিত্য-সংস্কৃতি অথবা পৰম্পৰা। কিছু দিনৰ আগেয়ে আসাম ট্ৰিবিউন কাকতত 'Regal Homes' নামেৰে এটা বিশেষ প্ৰৱন্ধ লেখা প্ৰকাশ পাইছিল। প্ৰদীপ বৰুৱাই মূল ইংৰাজীত লিখা প্ৰৱন্ধটোৰ কেন্দ্ৰীয় বিষয় হৈছে ব্ৰিটিছৰ দিনৰ চাহ বাগানৰ বঙলাসমূহ। লেখাটোৰ কেন্দ্ৰীয় বা মূল বিষয়ৰ আভাস প্ৰথম দুশাৰীতে দিয়া হৈছে এনেদৰে -

"ব্ৰিটিছৰ দিনৰে চাহ বাগানৰ বঙলাসমূহে ঔপনিৱেশিক শাসনকালত চাহ খেতিয়কসকলে উপভোগ কৰা জীৱন ধাৰণৰ স্বাক্ষৰ বহন কৰে। অসম তথা পূৱ ভাৰতৰ চাহ বাগানসমূহত বিষয়াসকলৰ বাবে অতি আড়ম্বৰপূৰ্ণভাৱে এই বঙলাসমূহ নিৰ্মাণ কৰা হৈছিল, য'ত তেওঁলোকে অসংখ্য বন কৰা মানুহ লগত লৈ বিলাসবহুল জীৱন কটাইছিল।"

লেখাটোত বুঢ়া আৰু মাটি বঙলাৰ ছবি দাঙি ধৰাৰ লগতে পৰৱৰ্তী ছেদত বিষয়বস্তুৰ এক স্পষ্ট ধাৰণা দিয়া হৈছে। লেখকে উল্লেখ কৰা প্ৰথম শাৰীৰ প্ৰাসংগিকতা পিছলৈ হেৰাই যোৱা নাই। প্ৰতিটো ছেদৰ আৰম্ভণিতে বঙলাৰ প্ৰসংগটো টানি অনা হৈছে। তলত ক্ৰমিক নং হিচাপত প্ৰৱন্ধ লেখাটোৰ ছেদসমূহ দিয়া হ'ল।

১। ব্ৰিটিছৰ দিনৰ পুৰণি চাহ বাগিছা
২। ব্ৰিটিছৰ দিনৰ মনোমোহা আবাসসমূহ
৩। বঙলাসমূহৰ বিভিন্ন শ্ৰেণী বিভাজন
৪। প্ৰতিটো বঙলাতে আছিল একোটা সুসংবদ্ধ পাকঘৰ
৫। বঙলাসমূহক পুনৰ বিভিন্ন প্ৰকাৰত ভাগ কৰিব পাৰি
৬। কিছুসংখ্যক বঙলাত সমাধিও পোৱা হৈছে

প্ৰৱন্ধ লেখাৰ গঠনৰ এক গুৰুত্বপূৰ্ণ দিশ হৈছে বিভিন্ন দিশ বা অংশসমূহৰ সংগতিপূৰ্ণভাৱে সংযোগ স্থাপন। বাক্যসমূহৰ মাজত এনেদৰে সংগতি স্থাপন হ'ব লাগিব যাতে লেখাটো সম্পূৰ্ণৰূপে অৰ্থৱহ হৈ উঠে। লেখা এটাৰ পেৰাগ্ৰাফৰ ভিতৰৰ বাক্যসমূহৰ

মাজত এই সম্পৰ্ক থকাৰ লগতে ইটো পেৰাগ্ৰাফৰ লগত সিটো পেৰাগ্ৰাফৰো সংগতি থাকিব লাগিব। 'Regal Homes' নামৰ এই প্ৰৱন্ধ লেখাটোত এটা শব্দৰ লগত আনটো, ইটো বাক্যৰ লগত আনটো বাক্যৰ লগতে পেৰাগ্ৰাফসমূহৰ মাজত সংযোগ স্থাপনেৰে এই সংগতিৰ সৃষ্টি কৰা হৈছে।



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- ফিচাৰ বুলিলে বাতৰিকাকত-আলোচনীৰ বিশেষ একোটা লেখাকে বুজোৱা হয়। টিভি-ৰেডিঅ'ৰ বিশেষ অনুষ্ঠান একোটাকো ফিচাৰ বুলি কোৱা হয়।
- হার্ড নিউজ আৰু ফিচাৰ বা বিশেষ প্ৰৱন্ধৰ মূল পার্থক্য এয়াই যে ঘটনা এটা সংঘটিত হোৱাৰ লগে লগেই প্ৰকাশ বা প্ৰচাৰ কৰিব পৰাটোৱেই হার্ড নিউজৰ সার্থকতা। কিন্তু বিশেষ প্ৰৱন্ধ লেখা এটা কিছুদিন পাচত প্ৰকাশ হ'লেও তাৰ গুৰুত্ব কমি নাযায়।
- বিশেষ প্ৰৱন্ধ লেখা এটা যিকোনো বিষয়ৰে ব্যাখ্যা, বৃত্তান্তমূলক বা বর্ণনামূলক হ'ব পাৰে।
- সাক্ষাৎকাৰ বুলিলে তথ্য সংগ্ৰহ বা আহৰণৰ বাবে দুজন বা অধিক মানুহৰ মাজত হোৱা বৈঠক বা আলোচনাকে বুজোৱা হয়।
- তথ্যৰ গুৰুত্বক ফিচাৰৰ অন্যতম মূল বৈশিষ্ট্য হিচাপে ধৰা হয়। তথ্যভিত্তিক বিশেষ প্ৰৱন্ধ বুলিলে একোটা গভীৰ লেখাক বুজোৱা হয়। তথ্যভিত্তিক বিশেষ প্ৰৱন্ধৰ বাবে সাক্ষাৎকাৰ আৰু গৱেষণাৰ সহায় লোৱা হয়।
- ফিচাৰেট হৈছে ফিচাৰৰ ক্ষুদ্ৰ ৰূপ। চুটি ফিচাৰ ফিল্মৰ ক্ষেত্ৰত এই শব্দটো প্ৰথমতে ব্যৱহাৰ কৰা হৈছিল যদিও পৰৱর্তী সময়ত বাতৰিকাকতত প্ৰকাশিক চমু লেখাক বুজাবলৈ শব্দটো প্ৰয়োগ কৰি অহা হৈছে।
- বাতৰি ফিচাৰ বা নিউজ ফিচাৰ বুলি ক'লে বাতৰিকাকতৰ নিয়মীয়া বাতৰি কলমতে প্ৰকাশিত বিশেষ লেখাক বুজোৱা হয়। পূৰ্বে প্ৰকাশিত বাতৰিৰ আঁত ধৰিয়েই এনেবোৰ লেখা প্ৰস্তুত কৰা হয়। কিন্তু বাতৰি বা নিউজ ফিচাৰত একোটা বিষয়বস্তুৰ গভীৰতালৈ যোৱা হয়।



৯.৭ অধিক জানিবলৈ

1. Gupta, V.S. (2003) handbook of Reporting and Communication Skills, Concept Publishing company, New Delhi-110059

2. Kamath M.V. (1980) professhional Juornalism Vikas Publishing House.
3. Puri, Manohard
4. Shrivastava, CS and Paresh, R.K. (2012) Modern Journalism Crescent Publishing Corporation, New Delhi-2



৯.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ পাঠকে জানিবলৈ আগ্ৰহী হোৱা সমসাময়িক ঘটনাৰ তথ্যৰ ওপৰত বাতৰিসমূহ প্ৰস্তুত কৰা হয়। আকৰ্ষণীয় তথ্যসমূহেই বাতৰিৰ মূল। পাঠক অথবা দৰ্শকৰ আগ্ৰহ বা ইচ্ছাৰ প্ৰতি লক্ষ্য ৰাখি তথ্যসমূহ প্ৰচাৰ বা প্ৰকাশ কৰিব লাগে।

২নং প্ৰশ্নৰ উত্তৰ ঃ বিগ ব্ৰেকিং নিউজৰ উদ্দেশ্য হৈছে টিভিৰ দৰ্শকসকলক শেহতীয়া খবৰ জনোৱা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ এটা ভাল বাতৰিয়ে ইনভাৰ্টেড পিৰামিডৰ গঠন আৰু শৈলী মানি চলে। এই নিয়ম অনুসৰি প্ৰথম পেৰাগ্ৰাফ বা বাক্যক কোৱা হয় লীড। এই অংশটোৱে কি ঘটিছে, কেতিয়া ঘটিছে, ক'ত আৰু কেনেকৈ ঘটিছে এনেবোৰ প্ৰশ্নৰ উত্তৰ দিয়ে। বাতৰিটোৰ পাছৰ অংশত অতিৰিক্ত তথ্যসমূহ দিয়া হয়। কিন্তু বিশেষ প্ৰৱন্ধ লেখা একোটাৰ গঠন প্ৰবন্ধ বা ৰচনাৰ দৰে। ইয়াৰ তিনিটা মূল দিশ হ'ল— এটা মূল বা কেন্দ্ৰীয় বিষয়, বিষয়টোৰ উপযুক্ত ধাৰণা আৰু বিষয়টোৰ লগত জড়িত বিভিন্ন দিশ বা অংশসমূহৰ সংযোগ স্থাপন।

বাতৰি এটাই কি ঘটিছে পাঠকক সেয়াহে জনায়। কিন্তু বিশেষ প্ৰৱন্ধত কিয় আৰু কেনেকৈ ঘটনাটো সংঘটিত হৈছে বা তাৰ লগত জড়িত বিভিন্ন দিশৰ অধিক আলোচনা আগবঢ়ায়।

৪নং প্ৰশ্নৰ উত্তৰ ঃ তথ্যভিত্তিক বিশেষ প্ৰৱন্ধ বুলিলে একোটা গভীৰ লেখাক বুজোৱা হয়। তথ্যভিত্তিক প্ৰৱন্ধৰ বাবে সাক্ষাৎকাৰ আৰু গৱেষণাৰ সহায় লোৱা হয়। এনেধৰণৰ প্ৰৱন্ধ লেখাই সাধাৰণ বাতৰি বা ফিচাৰতকৈ অধিক গভীৰ বিশ্লেষণ আগবঢ়ায়। এটা দীঘল প্ৰৱন্ধ লেখাই এটা বিষয়ক পুংখানুপুংখভাৱে উপস্থাপন কৰিব পাৰে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ কোনো বিশেষ বিখ্যাত ব্যক্তিৰ জীৱন-কৰ্ম বা তেওঁলোকৰ কৃতিত্ব আৰু সমাজ আৰু দেশৰ প্ৰতি আগবঢ়োৱা অৱদানৰ বিষয়ে লিখা বিশেষ প্ৰৱন্ধবোৰকেই ব্যক্তিকেন্দ্ৰিক প্ৰৱন্ধ বুলি কোৱা হয়।

৬নং প্ৰশ্নৰ উত্তৰ ঃ সম্পাদকীয় পৃষ্ঠাৰ মাজভাগত প্ৰকাশিত লিখনিকে মিডল বুলি কোৱা হয়। মাজভাগত প্ৰকাশ পোৱাৰ বাবে ইয়াক মিডল (Middle) নামেৰে জনা যায়। বিশেষ প্ৰৱন্ধ লেখা আৰু সম্পাদকলৈ চিঠিৰ স্তম্ভৰ মাজত এনেবোৰ লেখা সাধাৰণতে দেখা যায়। এসময়ত ছেণ্টিনেল কাকতক প্ৰকাশিত মিডলবোৰ (Middle) পাঠকৰ মাজত খুবেই জনপ্ৰিয় আছিল। এইবোৰ লেখা প্ৰকৃততে ফিচাৰেট। ফিচাৰ ষ্টৰীত থাকিবলগীয়া তিনিওটা গুণেই এনেবোৰ লেখনিত পোৱা যায়।



৯.৯ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন ঃ

প্ৰশ্ন নং ১ 'ফিচাৰ ষ্টৰী' বুলিলে কি বুজোৱা হয় ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ বাতৰিৰ বৈশিষ্ট্যৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন নং ৩ 'হাৰ্ড নিউজ'ৰ বিষয়ে ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৪ 'বিগ ব্ৰেকিং নিউজ'ৰ বিষয়ে ব্যাখ্যা কৰক।

(খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন নং ১ 'হাৰ্ড নিউজ' আৰু 'ছফট নিউজ'ৰ পাৰ্থক্য লিখক।

প্ৰশ্ন নং ২ উদাহৰণসহ এটা বাতৰিৰ মূল বৈশিষ্ট্যসমূহৰ বিষয়ে লিখক।

প্ৰশ্ন নং ৩ বাতৰি আৰু বিশেষ প্ৰৱন্ধৰ মাজত থকা পাৰ্থক্যবোৰৰ বিষয়ে লিখক।

(গ) দীঘলীয়া প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০—৫০০টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন নং ১ সাক্ষাৎকাৰভিত্তিক প্ৰৱন্ধৰ গুৰুত্বৰ বিষয়ে বহলাই লিখক।

প্ৰশ্ন নং ২ তথ্যভিত্তিক প্ৰৱন্ধ আৰু বাতৰি বা নিউজ ফিচাৰৰ মাজত থকা পাৰ্থক্যৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন নং ৩ বিশেষ প্ৰৱন্ধ লেখাৰ গঠনৰ বাবে গ্ৰহণ কৰা উপায়সমূহৰ বিষয়ে লিখক।